# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Time :** 19-10 Hrs
Date : 28-04-2025

***Assamese Evening Bulletin***
***Headlines***

১। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি ৰাষ্ট্ৰপতি ভৱনত পদ্ম বঁটাসমূহ প্ৰদান কৰে।
২। ভাৰতে আজি ২৬ খন ৰাফেল নৌ সেনা যুঁজাৰু বিমান ক্ৰয় কৰাৰ বাবে ফ্ৰান্সৰ সৈতে এখন প্ৰতিৰক্ষা চুক্তিত স্বাক্ষৰ কৰে।
৩। জম্মু-কাশ্মীৰৰ পহলগাম সন্ত্ৰাসবাদী আক্ৰমণ সন্দৰ্ভত কিছুসংখ্যক কংগ্ৰেছ নেতাই কৰা বিতৰ্কিত মন্তব্যক বিজেপিয়ে গৰিহণা দিছে।
৪। মুম্বাই সন্ত্ৰাসবাদী আক্ৰমণৰ মূল ষড়য়ন্ত্ৰকাৰী তহব্বুৰ হুছেইন ৰানাক পুনৰ ১২ দিনৰ বাবে ৰাষ্ট্ৰীয় তদন্তকাৰী সংস্থাৰ জিম্মালৈ প্ৰেৰণ কৰা হৈছে। ***আৰু***
৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি কিছুসময়ৰ পাছতে জয়পুৰৰ ছেৱাই মানসিং ষ্টেডিয়ামত ৰাজস্থান ৰয়েলছ-গুজৰাট টাইটানছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি ৰাষ্ট্ৰপতি ভৱনত পদ্ম বঁটাসমূহ প্ৰদান কৰে। দেশৰ অন্যতম সৰ্বোচ্চ অসামৰিক সন্মান পদ্ম বঁটাসমূহ পদ্ম বিভূষণ, পদ্মভূষণ আৰু পদ্মশ্ৰী - এই তিনিটা পৰ্যায়ত প্ৰদান কৰা হয়।

ভায়লিনবাদক তথা সুৰকাৰ ড০ এল সুব্ৰমনিয়ম আৰু গেষ্ট্ৰ' এণ্ট্ৰ'লজিষ্ট ডা০ নাগেশ্বৰ ৰেড্ডীক পদ্ম বিভূষণ বঁটা প্ৰদান কৰা হয়। পদ্মভূষণ বঁটা লাভ কৰা বশিষ্ট ব্যক্তিসকলৰ ভিতৰত বিশিষ্ট সম্পাদক আৰু প্ৰচাৰ ভাৰতীৰ প্ৰাক্তন অধ্যক্ষ এ সূৰ্য প্ৰকাশ, চলচ্চিত্ৰ অভিনেতা অনন্ত নাগ, নন্দামুৰী বালাকৃষ্ণ আৰু এছ অজিত কুমাৰ, ভাৰত নাট্যম নৃত্যশিল্পী শ'বনা চন্দ্ৰকুমাৰ আৰু ভাৰতীয় হকী দলৰ প্ৰাক্তন অধিনায়ক পি আৰ শ্ৰীজেছ আছে।

উল্লেখযোগ্য যে শিক্ষা, সমাজসেৱা, জনসংযোগ, বিজ্ঞান আৰু অভিযান্ত্ৰিক, বাণিজ্য আৰু উদ্যোগ, চিকিৎসা, সাহিত্য আৰু শিক্ষা, ক্ৰীড়া তথা অসামৰিক সেৱাকে ধৰি বিভিন্ন ক্ষেত্ৰত উল্লেখযোগ্য অৱদান আগবঢ়োৱাৰ বাবে এই বঁটাসমূহ প্ৰদান কৰা হয়। এই বছৰ গণৰাজ্য দিৱসৰ প্ৰাকক্ষণত চৰকাৰে ৭টা পদ্ম বিভূষণ, ১৯টা পদ্মভূষণ আৰু ১১৩ পদ্মশ্ৰীকে ধৰি ১৩৯টা পদ্ম বঁটা ঘোষণা কৰিছিল।

০০০০

ভাৰতে আজি ২৬ খন ৰাফেল নৌ সেনা যুঁজাৰু বিমান ক্ৰয় কৰাৰ বাবে ফ্ৰান্সৰ সৈতে এখন প্ৰতিৰক্ষা চুক্তিত স্বাক্ষৰ কৰে। নতুন দিল্লীত প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙ আৰু ফ্ৰান্সৰ সশস্ত্ৰ সেনা দপ্তৰৰ মন্ত্ৰী ছেবাষ্টিয়ান লেকৰ্ণৰ

মাজত এই আভ্যন্তৰীণ-চৰকাৰী চুক্তি স্বাক্ষৰিত হয়। এই ২৬ খন যুঁজাৰু বিমানৰ ভিতৰত ২২ খন হ'ব এজনীয়া আসন বিশিষ্ট আৰু বাকী ৪ খন হ'ব দুজনীয়া আসন বিশিষ্ট নৌসেনা যুজাৰু বিমান। ভাৰতীয় নৌ সেনাৰ প্ৰয়োজন অনুসৰি এই বিমান কেইখন নিৰ্মাণ কৰা হৈছে। এই বিমানসমূহ ভাৰতীয় নৌ সেনাৰ আই এন এছ বিক্ৰমাদিত্য আৰু আই এন এছ বিক্ৰান্তৰ দৰে যুদ্ধ জাহাজত সংলগ্ন কৰা হ'ব। আটাইকেইখন ৰাফেল বিমানতে অত্যাধুনিক অস্ত্ৰ ব্যৱস্থা আৰু ক্ষেপণাস্ত্ৰ মজুত থাকিব। ২০৩০ চনৰ ভিতৰত ভাৰতলৈ এই বিমানসমূহৰ প্ৰেৰণ সম্পূৰ্ণ কৰা হ'ব।

০০০০

জম্মু-কাশ্মীৰৰ পহলগাম সন্ত্ৰাসবাদী আক্ৰমণ সন্দৰ্ভত কিছুসংখ্যক কংগ্ৰেছ নেতাই কৰা বিতৰ্কিত মন্তব্যক বিজেপিয়ে গৰিহণা দিছে। নতুন দিল্লীত আজি সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত জ্যেষ্ঠ বিজেপি নেতা ৰবিশংকৰ প্ৰসাদে কয়, যে এই আক্ৰমণৰ ভুক্তভোগীসকলে দাবী কৰাৰ দৰে সন্ত্ৰাসবাদীয়ে তেওঁলোকৰ ধৰ্ম সোধা নাছিল বুলি কিছু সংখ্যক কংগ্ৰেছ নেতাই মন্তব্য কৰিছে। তেওঁ লগতে কয়, যে জ্যেষ্ঠ কংগ্ৰেছ নেতা মণিশংকৰ আয়াৰেও আমি এতিয়াও দেশ বিভাজনৰ প্ৰতিফল ভোগ কৰি আছো বুলি মন্তব্য কৰিছে। শ্ৰীপ্ৰসাদে এনেধৰণৰ বক্তব্যসমূহক অসংবেদনশীল বুলি অভিহিত কৰি দেশৰ একতা শক্তিশালী কৰি ৰখাৰ স্বাৰ্থত এনে ধৰণৰ নেতাৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰিবলৈ কংগ্ৰেছ দলৰ মুৰববীক দাবী জনায়। তেওঁ কয়, যে সমগ্ৰ দেশে একেলগে সন্ত্ৰাসবাদৰ বিৰুদ্ধে ঠিয় দিয়াৰ সময়ত বিৰোধী পক্ষৰ কিছুসংখ্যক নেতাৰ এনে মন্তব্যই দেশৰ ভাৱমুৰ্তি বিনস্ত কৰে। সমগ্ৰ বিশ্বই এই আক্ৰমণৰ নিন্দা কৰিছে বুলি উল্লেখ কৰি শ্ৰীপ্ৰসাদে  কয়, যে ইয়াৰ সৈতে জড়িত লোকসকলৰ বিৰুদ্ধে কঠোৰতকৈও কঠোৰ ব্যৱস্থা লোৱা হ'ব বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মন্তব্য কৰিছে।

০০০০

জম্মু-কাশ্মীৰ বিধানসভাত আজি পহলগামৰ সন্ত্ৰাসবাদী আক্ৰমণৰ ঘটনাৰ নিন্দা প্ৰস্তাৱ গৃহীত হয়। এই প্ৰস্তাৱত সন্ত্ৰাসবাদী আক্ৰমণক জঘন্য, বৰ্বৰ, অমানবীয় আৰু কাপুৰুষৰ কাৰ্য বুলি ব্যাখ্যা কৰা হয়।  বিধানসভাত প্ৰায় ৩ ঘণ্টাযোৰা দীঘলীয়া আলোচনাৰ অন্তত এই প্ৰস্তাৱ সৰ্বসন্মতিক্ৰমে গৃহীত হয়। প্ৰস্তাৱটোত উল্লেখ কৰা অনুসৰি এনে ধৰণৰ সন্ত্ৰাসবাদী কাৰ্যই কাশ্মীৰী জনসাধাৰণৰ  প্ৰবৃত্তি, সংবিধানৰ প্ৰমূল্য আৰু একতা, শান্তি আৰু সদভাৱৰ ভাৱনাক  পোনপতীয়াকৈ আঘাত কৰে। বিধানসভাই এই আক্ৰমণৰ ভুক্তভোগীসকলৰ সৈতে আছে বুলি প্ৰকাশ কৰে আৰু নিহতসকলৰ নিকটআত্মীয়ৰ প্ৰতি সমবেদনা জ্ঞাপন কৰে। বিধানসভাই লগতে পৰ্যটকসকলৰ জীৱন বচাবলৈ গৈ মৃত্যুক আকোৱালি লোৱা ছৈয়দ আদিল হুছেইনৰ সাহসিকতাৰ প্ৰশংসা কৰে আৰু জম্মু-কাশ্মীৰৰ জনসাধাৰণৰ সহযোগিতাৰ শলাগ লয়। তদুপৰি বিধাসভাই এইক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰৰ কুটনৈতিক পদক্ষেপসমূহৰ প্ৰতিও সমৰ্থন আগবঢ়ায়।

জম্মু-কাশ্মীৰ বিধানসভাৰ বিৰোধী পক্ষৰ নেতা সুনিল শৰ্মাই এই আক্ৰমণৰ ভুক্তভোগীসকলৰ সৈতে আছে বুলি প্ৰকাশ কৰে। তেওঁ কয়, যে পাকিস্তানে সন্ত্ৰাসবাদীৰ মাধ্যমেৰে নিজৰ স্থিতি বাহাল ৰাখিব বিচাৰিছে কিন্তু কাশ্মীৰৰ জনসাধাৰণে একত্ৰিতভাৱে ঠিয় দি কোনো চক্ৰান্তই তেওঁলোকক বিভাজিত কৰিব নোৱাৰে বুলি সমগ্ৰ বিশ্বলৈ বাৰ্তা প্ৰেৰণ কৰিলে।

আজিৰ আলোচনাত মুখ্যমন্ত্ৰী ওমৰ আব্দুল্লা, উপ মুখ্যমন্ত্ৰী  সুৰিন্দৰ চৌধুৰী, পিপলছ্ কনফাৰেন্সৰ নেতা চাজাদ গনি ল'ন, কংগ্ৰেছ নেতা গোলাম আহমেদ মীৰ, চিপিআইএমৰ নেতা এম ৱাই তাৰিগামি, পিদিপিৰ নেতা ৱাহিদ -উৰ-ৰেহমান-পাৰৰাকে ধৰি অন্যান্য নেতাসকলে অংশগ্ৰহণ কৰে।

০০০০

কেন্দ্ৰীয় যোগাযোগ মন্ত্ৰী জোতিৰাদিত্য সিন্ধিয়াই আজি সমগ্ৰ দেশতে পোষ্ট অফিচৰ জৰিয়তে কিতাপ আৰু অধ্যয়নৰ সামগ্ৰী পঠিওৱাৰ সুবিধাৰে জ্ঞান পোষ্ট শীৰ্ষক এবিধ সেৱা মুকলি কৰে। নতুন দিল্লীত আজি এখন সংবাদ মেলত শ্ৰীসিন্ধিয়াই কয়, যে শিক্ষণ  সামগ্ৰীসমূহ ভৌগলিক অৱস্থান অথবা সুলভতাৰ ওপৰত নিৰ্ভৰ কৰা উচিত নহয়। তেওঁ কয় যে জ্ঞানপোষ্টৰ জৰিয়তে প্ৰেৰণ কৰা কিতাপ আৰু ছপা কৰা বিদ্যায়তনিক সামগ্ৰীসমূহ ট্ৰেক কৰিব পৰা যাব। অহা ১ মে'ৰ পৰা এই সেৱা কাৰ্যকৰী কৰা হব বুলি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। শিক্ষণ সম্পদসমূহ অধিক সহজলভ্য আৰু সুলভ কৰিবৰ বাবে ইণ্ডিয়া পোষ্টে ব্যক্তি বিশেষ আৰু সমুদায়ৰ সৱলিকৰণৰ ধাৰা অব্যাহত ৰাখি এই প্ৰচেষ্টা গ্ৰহণ কৰিছে।

০০০০

আমেৰিকা যুক্তৰাষ্ট্ৰই কিছুদিনৰ পূৰ্বে ভাৰতলৈ প্ৰত্যাৰ্পন কৰা ২৬/১১ মুম্বাই সন্ত্ৰাসবাদী আক্ৰমণৰ মূল ষড়য়ন্ত্ৰকাৰী তহববুৰ হুছেইন ৰানাক আজি নতুন দিল্লীত ৰাষ্ট্ৰীয় তদন্তকাৰী সংস্থাৰ এখন বিশেষ আদালতত হাজিৰ কৰোৱা হয়। ৰাষ্ট্ৰীয় তদন্তকাৰী সংস্থাৰ বিশেষ   আদালতৰ ন্যায়াধীশ চন্দৰজিত সিঙৰ সন্মুখত ৰানাক হাজিৰ কৰোৱা হয়। আদালতে তহববুৰ ৰানাক আৰু ১২ দিনৰ বাবে ৰাষ্ট্ৰীয় তদন্তকাৰী সংস্থাৰ জিম্মালৈ প্ৰেৰণ কৰে। আজি ৰানাৰ ১৮ দিনৰ ৰীমাণ্ড সম্পূৰ্ণ হয়। সূত্ৰত প্ৰকাশ পোৱা মতে আদালতত তহববুৰ ৰানাক  প্ৰতিনিধিত্ব কৰিবৰ বাবে দিল্লী আইন সেৱা পৰিষদে ন্যায়াধীশ পিয়ুছ চচদেৱাক নিয়োগ কৰিছে। শেহতীয়াকৈ দিল্লীৰ এন আই এৰ কাৰ্যালয়ত মুম্বাই আৰক্ষীৰ অপৰাধ শাখাৰ বিষয়াই সোধা পোচা কৰাৰ সময়ত ৰানাই সহযোগিতা নকৰাৰ পাছতেই এই শুনানি গ্ৰহণ কৰে। উল্লেখযোগ্য যে ২০০৮ চনৰ ২৬ নৱেম্বৰৰ মুম্বাই আক্ৰমণৰ ষড়যন্ত্ৰকাৰী দেভিদ ক'লমেন হেদলিৰ  ঘণিষ্ঠ সহযোগী ৰানাক যোৱা ৪ এপ্ৰিলত আমেৰিকাৰ পৰা ভাৰতলৈ প্ৰত্যাৰ্পন কৰা হৈছিল।

০০০০

চুডানৰ ৰাজধানী কাতুমৰ উত্তৰৰ ওমদাৰমানত ৰেপিড চাপোৰ্ট অৰ্ধসামৰিক বাহিনী, আৰ এছ্ এফে আজি কমেও ৩১ জন অসামৰিক লোকক হত্যা কৰে। দেশখনৰ স্বয়ংসেৱী গোটসমূহে প্ৰকাশ কৰা তথ্য অনুসৰি এই খণ্ডত এতিয়ালৈকে হোৱা আক্ৰমণৰ ভিতৰত এয়া হৈছে আটাইতকৈ ভয়ংকৰ গণহত্যাৰ ঘটনা। নিহত সকলৰ ভিতৰত ভালেসংখ্যক শিশুও আছে বুলি তথ্যত প্ৰকাশ পাইছে। ঘটনাৰ সবিশেষ এতিয়াও জানিব পৰা হোৱা নাই।

০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি কিছুসময়ৰ পাছতে জয়পুৰৰ ছেৱাই মানসিং ষ্টেডিয়ামত ৰাজস্থান ৰয়েলছ-গুজৰাট টাইটানছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।ৰাজস্থান ৰয়েলছ প্ৰথমে ফিল্ডিং কৰাৰ সিদ্ধান্ত লৈছে।

এতিয়ালৈকে খেলা ৮ খন খেলৰ ছখনতে জয়লাভ কৰি গুজৰাট টাইটানছ পইণ্ট তালিকাৰ দ্বিতীয় স্থানত আছে আৰু দলটোৰ প্লে অফ পৰ্যায়লৈ যোগ্যতা অৰ্জনৰ পথ যথেষ্ট সূচল হৈ আছে। ৰাজস্থান ৰয়েলছে

এইবাৰৰ সংস্কৰণত এতিয়ালৈকে দুৰ্বল প্ৰদৰ্শন আগবঢ়াইছে। দলটোৱে ৯ খন খেলৰ দুখনতহে জয়লাভ কৰি ৪ পইণ্টেৰে তালিকাৰ নৱম স্থানত আছে।

০০০০

দ্বিতীয় এছিয় যোগাসন ক্ৰীড়া প্ৰতিযোগিতাত ভাৰতে ৮৩ টা সোণ, ৩ টা ৰূপ আৰু এটা ব্ৰঞ্জৰ পদকেৰে মুঠ ৮৭ টা পদক অৰ্জন কৰি শ্ৰেষ্ঠত্ব অৰ্জন কৰিছে। নতুন দিল্লীত যোৱা ২৫ এপ্ৰিলৰ পৰা অনুষ্ঠিত প্ৰতিযোগিতাখনৰ কালি সামৰণি পৰে।  জাপানে ৩টা সোণ, ৩টা ৰূপ আৰু ৪টা ব্ৰঞ্জৰ পদক লাভ কৰি পদক তালিকাত দ্বিতীয় আৰু মংগোলীয়া, ওমান আৰু নেপালে ক্ৰমে তৃতীয়, চতুৰ্থ আৰু পঞ্চম স্থান লাভ কৰে।

প্ৰতিযোগিতাখনত উজবেকিস্তান, শ্ৰীলংকা, থাইলেণ্ড, কাজাখাস্তান আৰু ভূটানৰ প্ৰতিযোগীসকলেও উল্লেখনীয় প্ৰদৰ্শন আগবঢ়ায়। প্ৰতিযোগিতাখনত ২১ খনতকৈও অধিক দেশে অংশগ্ৰহণ কৰিছিল।

০০০০

আকাশবাণীৰ বাতৰি সেৱা বিভাগৰ দ্বিভাষিক ফোন ইন অনুষ্ঠান পাব্লিক স্পীকত আজি নিশা চাৰে ন বজাত **ৰোগ প্ৰতিৰোধত প্ৰতিষেধকৰ ভূমিকা** সন্দৰ্ভত বিশেষ আলোচনা প্ৰচাৰ কৰা হ'ব। এই অনুষ্ঠানত ৰাষ্ট্ৰীয় প্ৰতিষেধক কাৰিকৰী উপদেষ্টা গোটৰ অধ্যক্ষ ডাঃ এন কে আৰোৰা আৰু নতুন দিল্লীৰ স্বামী দয়ানন্দ হস্পিতালৰ শিশুৰোগ আৰু নৱজাতক বিভাগৰ মুৰব্বী ডাঃ সুৰেন্দ্ৰ সিং বিষ্টে অংশগ্ৰহণ কৰিব। আগ্ৰহী শ্ৰোতাসকলে অনুষ্ঠান চলি থকাৰ সময়ত ০১১-২৩৪২ ১০৫০ আৰু ০১১ ২৩৩১ ৪৪৪৪ নম্বৰত ফোন কৰি সমল ব্যক্তি দুগৰাকীৰে কথা পাতিব পাৰিব। তেওঁলোকে ৱাটছএপ যোগে ৯২৮৯০ ৯৪০৪৪ নম্বৰ আৰু askair hastag ৰ x হেণ্ডেলত প্ৰশ্ন প্ৰেৰণ কৰিব পাৰিব।

০০০০

ঃঃ সমাপ্ত ঃঃ